# ধুমুহাৰ পিছত নিজকে লেপ্ট'স্পাইৰ'ছিছৰ পৰা সুৰক্ষিত কৰক

সত্যমেব জয়তে
অসম চৰকাৰ

NATIONAL HEALTH MISSION
राष्ट्रीय स्वास्थ्य मिशन
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

World Health Organization

**লেপ্ট'স্পাইৰ'ছিছ এবিধ বেক্টেৰিয়াজনিত ৰোগ । এই ৰোগ বানপানী বা ঘূৰ্ণী বতাহৰ পিছত প্ৰদূষিত পানী গা ধোৱা বা খোৱাৰ কাৰণে ব্যৱহাৰ কৰিলে বিয়পে।**

**নিম্নোক্ত কাৰকসমূহৰ সংস্পৰ্শলৈ আহিলে কোনো ব্যক্তি এই ৰোগত আক্ৰান্ত হ'ব পাৰে**

- আক্ৰান্ত জন্তু যেনে - নিগনি, কুকুৰ, পোহনীয়া জন্তু, গাহৰি আদিৰ প্ৰস্ৰাৱ
- বানপানী, নদী বা নিজৰাৰ পানী, অসুৰক্ষিত টেপৰ পানী, ভিজা মাটি নাইবা আক্ৰান্ত জন্তুৰ প্ৰস্ৰাৱৰ দ্বাৰা প্ৰদূষিত খাদ্য

**এইবিধ বেক্টেৰীয়া কটা ছিঙা বা ঘহনি বা চকু, নাক আৰু মুখেৰে মানৱ শৰীৰত প্ৰবেশ কৰে।**



## কেনেকৈ প্ৰতিৰোধ কৰিব

- নদী পাৰ নহ'ব, যিকোনো ধৰণৰ পানীত সাতোৰা, গা ধোৱা, মুৰ তিওৱা বা সেৱন কৰাৰ পৰা বিৰত থাকক, কাৰণ এই পানী বানপানী ৰা আক্ৰান্ত জন্তুৰ প্ৰস্বাৱৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে।
- কটা-ছিঙা বা ঘহনি খোৱা ঠাই ডোখৰ পানী সোমাব নোৱাৰাকৈ বান্ধি ৰাখক ।
- খালী ভৰিৰে বাহিৰত খোজ নাকাঢ়িব । পানী প্ৰতিৰোধী কাপোৰ, জোতা, হাত মোজা আদি পিন্ধিহে মাটিত খোজ কাঢ়িব কাৰণ এই মাটি সংক্ৰমিত হৈ থাকিব পাৰে।
- সংক্ৰমিত পানী খোৱাৰ উপযোগী কৰিবলৈ উতলাই খাব।
- খোৱা বস্তু সদায় ঢাকি ৰাখিব আৰু নিগনি আদিৰ পৰা বাচি থকিবলৈ চেপা ব্যৱহাৰ কৰক ।

## লক্ষণসমূহ




## চিকিৎসা গ্ৰহণ কৰক

যদিহে আপোনাৰ এই ৰোগৰ লক্ষণে দেখা দিছে তেন্তে ততালিকে চিকিৎসকৰ পৰামৰ্শ লওঁক । সোনকালে চিকিৎসা গ্ৰহণ কৰিলে আৰু এন্টিবায়'টিক সেৱন কৰিলে এই ৰোগৰ বিষম পৰ্যায় পোৱাত বাধা দিব পাৰি । চিকিৎসা অবিহনে এই ৰোগ গুৰুতৰ পৰ্যায়লৈ যাব পাৰে। এই ৰোগৰ ফলত যকৃত আৰ বৃক্কৰ বিকল হোৱা, মেনিঙ্গিটিছ, উশাহ লোৱাত কষ্ট, তেজ ওলোৱা আৰু কিছু কিছু ক্ষেত্ৰত মৃত্যু পৰ্যন্ত হ'ব পাৰে ।